# ক্ষেত্ৰভিত্তিক অধ্যয়ন

# শিৱসাগৰ জিলাৰ ঐতিহাসিক কীৰ্তিচিহ্নসমূহৰ পৰিদৰ্শন

## পানীগাওঁ ওম প্ৰকাশ দিনোদীয়া মহাবিদ্যালয়

**শিক্ষাতত্ব বিভাগ**

**তাৰিখ : ২৭ মাৰ্চ ২০২৩**

যোৱা ইংৰাজী ২৭ মাৰ্চ ২০২৩ তাৰিখে পানীগাঁও ওম প্ৰকাশ দিনোদীয়া মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপক মীনা লাহন আৰু সহকাৰী অধ্যাপক ড° ৰুণজুন শইকীয়াৰ তত্ত্বাৱধানত বিভাগৰ দ্বিতীয়, চতুৰ্থ আৰু ষষ্ঠ ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলক লৈ ক্ষেত্ৰভিত্তিক অধ্যয়নৰ এটা কাৰ্যসূচী হাতত লোৱা হয়। সেই অনুসৰি সোমবাৰে পুৱা ০৬:১৫ বজাত সকলোৱে শিৱসাগৰ অভিমুখে যাত্ৰা আৰম্ভ কৰো। শিৱসাগৰ অসমৰ এখন গুৰুত্বপূৰ্ণ  জিলা। আহোম ৰাজত্বকালত নিৰ্মান কৰা বহু কীৰ্তিচিহ্নৰে শিৱসাগৰ এখন অসমৰ ভিতৰতে জাকতজিলিকা জিলা।




প্ৰায় ১২:০০ বজাত আমি ৰংপুৰৰ ৰূপহী পথাৰত অৱস্থিত স্বৰ্গদেও প্ৰমত্ত সিংহৰ দ্বাৰা নিৰ্মিত ঐতিহাসিক ৰংঘৰত উপস্থিত হ'লো। ৰংঘৰৰ প্ৰৱেশ দ্বাৰত অনুমতি লৈ আমি ৰংঘৰৰ ভিতৰত প্ৰৱেশ কৰিলো। শিৱসাগৰ চহৰৰ পৰা মাত্ৰ ৩ কিলোমিটাৰ মান আঁতৰত এই গৃহটো অৱস্থিত। ইয়াৰ পৰাই এসময়ত ৰাজ-পৰিয়াল আৰু বিশিষ্ট ৰাজবিষয়াসকলে বিশেষকৈ ৰঙালী বিহুৰ সময়ত অনুষ্ঠিত হোৱা ম'হ যুঁজ, শেন যুঁজকে প্ৰমুখ্য কৰি অন্যান্য বিনোদনমূলক কাৰ্যসূচী উপভোগ কৰিছিল। সেইদিনা ৰংঘৰৰ বাকৰিত এখন বিহু নৃত্যৰ কৰ্মশালা অনুষ্ঠিত হৈছিল। আমি সকলোৱে আনন্দৰনেৰে সকলো প্ৰত্যক্ষ কৰিলোঁ।

 

ইয়াৰ পাছত আমি সকলো ৰংঘৰৰ ওচৰতে থকা তলাতল ঘৰলৈ বুলি ৰাওনা হ'লো। তলাতল ঘৰ আহোম স্থাপত্যকলাৰ এক উল্লেখযোগ্য নিদৰ্শন। এই ঐতিহ্যপূৰ্ণ ৰাজপ্ৰসাদটো আহোম ৰজা স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই খ্ৰীষ্টাব্দ ১৭৫১-৬৯ ত তেওঁৰ ৰাজত্ব কালত সজাইছিল।



তলাতল ঘৰ চোৱাৰ পাছত সকলো শিৱদৌল অভিমুখে যাত্ৰা কৰিলোঁ। শিৱদৌলত সেৱা জনাই সকলোৱে ঐতিহাসিক জয়সাগৰ পুখুৰী পৰিদৰ্শন কৰি শিৱদৌলৰ কাষতে থকা বিষ্ণুদৌল আৰু দেৱীদৌল চাবলৈ গ'লোঁ।

শিৱদৌল শিৱসাগৰ পুখুৰীৰ (বৰপুখুৰী) পাৰত অৱস্থিত। স্বৰ্গদেউ শিৱসিংহই প্ৰথমা ৰাণী বৰৰজা ফুলেশ্বৰী কুঁৱৰীৰ মৃত্যুৰ পাছত তেওঁৰে বিবাহিতা ভনীয়েক দ্ৰৌপদীক বিবাহ কৰাই অম্বিকা কুঁৱৰী বা মদাম্বিকা

নাম দি বৰৰজা পাতিছিল। এইগৰাকী কুঁৱৰীৰ নিৰ্দেশক্ৰমেই ১৭৩১ খৃঃত সোণৰ ক'লচীৰে সৈতে শিৱদৌল, দেৱীদৌল আৰু বিষ্ণু দৌল নিৰ্মাণ কৰাৰ লগতে শিৱসাগৰ পুখুৰী খন্দোৱা হৈছিল। এই শিৱদৌল অসমৰ সকলোবোৰ দৌলতকৈ ওখ দৌল।





এনেদৰে দিনটোৰ বহু প্ৰত্যক্ষ জ্ঞান-অভিজ্ঞতা বুটলি আমি সকলোৱে এখন হোটেললৈ গৈ তৃপ্তিৰে আহাৰ গ্ৰহণ কৰোঁ। অহাৰ খোৱাৰ পাছত আমি সকলোৱে আনন্দমনেৰে ঘৰলৈ বুলি ৰাওনা হ'লোঁ। নিশা প্ৰায় ০৯:৩০ মান বজাত সকলোৱে নিজ নিজ ঘৰত উপস্থিত হ'লোঁ। ইমানতে আমাৰ দিনযোৱা কাৰ্যসূচীৰ সামৰণি পৰিল।

■■■